# নাটকৰ সংজ্ঞা আৰু উপাদান

নাটক এবিধ কলা । সংস্কৃত আলংকাৰিক ধনঞ্জয়ে ইয়াক অৱস্থানুকৃতি ’ বোলাৰ দৰে পাশ্চাত্যত এৰিষ্টটলে ইয়াক কাৰ্য্যনুকৃতি বুলি কৈছে । সহজ ভাষাত নাটক কেৱল সাহিত্যিক অভিব্যক্তি মাত্ৰ নহয় , ইয়াৰ পূৰ্ণতা প্ৰকাশ পায় অভিনয়ৰ সাজেৰে । অৰ্থাৎ নাটকৰ ক্ষেত্ৰত অভিনয় অপৰিহাৰ্য । সেয়ে পাশ্চাত্যৰ পণ্ডিতৰ মতে নাটক একক নহয় এবিধ মিশ্ৰ কলাহে । সেই দিশৰ পৰা সহজ ভাষাত নাটকৰ সংজ্ঞা এনেদৰে দিব পাৰি নাটক হ’ল যনে এবিধ কলা যত মানৱ জীৱন শৈল্পিক অভিব্যক্তি অভিনয়ৰ জৰিয়তে ৰূপায়িত কৰা হয় ।

নাটক এখনৰ পূৰ্ণাংগ ৰূপ পোৱাৰ ক্ষেত্ৰত অৰ্থাৎ গঠন হোৱাৰ ক্ষেত্ৰত কেইটামান বিশিষ্ট পাদান অপৰিহাৰ্য । এই উপাদানসমূহ হ’ল – কাহিনী , চৰিত্ৰ , সংলাপ , পৰিৱেশ সৃষ্টি , নাট্যকাৰৰ জীৱন দৰ্শন ।

আখ্যান বা কাহিনী :- কাহিনী বা আখ্যান নাটকৰ প্ৰথম আৰু প্ৰয়োজনীয় উপাদান । কাহিনী বুলিলেই তাত এটা গল্পৰ কথা আহি পৰে।গতিকে নাটক হ’ল কাৰ্য্যৰ মাজেৰে ৰূপায়িত কৰা গল্প মাত্ৰ । নাটকৰ কাহিনী ৰচনাত সংযম অপৰিহাৰ্য । নাট্যকাৰে সীমাৱদ্ধ পৰিসৰত সংযম ৰক্ষা কৰি আকৰ্ষণীয় কাহিনী ৰচনা কৰাৰ বাবে দক্ষতাৰ প্ৰয়োজন । নাটকৰ কাহিনীৰ মূল প্ৰাণ হ’ল সংঘাত । সংঘাতেই নাট্যকাহিনীৰ পাতনি মেলে আৰু সংঘাতৰ সামৰণিত নাট্যকাহিনীৰো পৰিসমাপ্তি ঘটে । নাটকীয় কাহিনীৰ ক্ৰমবিকাশক পাঁচটা ভাগ বা স্তৰত ভাগ কৰা হয় । সেইবোৰ হ’ল — মুখ , প্ৰতিমুখ , গৰ্ভ বা শীৰ্ষ দ্বন্দ , অবমৰ্শ বা গ্ৰন্থিমোচন , নিৰ্বহন বা উপসংহাৰ । নাট্যকাৰে কাহিনী উপস্থাপনৰ ক্ষেত্ৰত কেতবোৰ কলা – কৌশলৰ আশ্ৰয় লয় এইবোৰ হ’ল , সুষম , বিষম , নাটকীয় পৰিহাস , উপকাহিনীৰ সংযোগ ,পশ্চাৎ অৱলোকন পদ্ধতি ইত্যাদি । এইবোৰ কলা কৌশলৰ প্ৰয়োগে নাট্যকাহিনীক আকৰ্ষণীয় আৰু গতিশীলতা প্ৰদান কৰে । নাট্যকাহিনীৰ ক্ষেত্ৰত পূৰ্ণাংগতা এটি গুৰুত্বপূৰ্ণ বিষয় ।

**চৰিত্ৰ :-** কাহিনীৰ পাছতে নাটকৰ উল্লেখযোগ্য উপাদান হ’ল চৰিত্ৰ । কাহিনীৰে চৰিত্ৰৰ বিকাশ ঘটায় যদিও , চৰিত্ৰ অবিহনে নাটকীয় কাহিনী ৰূপায়িত কৰা সম্ভৱপৰ নহয় । গতিকে কাহিনী আৰু চৰিত্ৰ একেটা মুদ্ৰাৰ ইপিঠি সিপিঠি । আকৌ চৰিত্ৰই হ’ল নাটকৰ মহত্ব আৰু অমৰ্ত্তৰ প্ৰধান উপাদান । সেই কাৰণে হাডছনে কৈছে যে “ চৰিত্ৰাংকনেই হ’ল নাটকৰ প্ৰাণ ” । নাটকৰ চৰিত্ৰাংকন সহজ নহয় , সীমাবদ্ধ পৰিসৰত সম্পৰ্ক ঘটনাৰ বাহক ৰূপে চৰিত্ৰাংকন কৰা এটা জটিল বিষয়।ইয়াৰ বাবে চৰিত্ৰ সৃষ্টিত কেতবোৰ গুণৰ প্ৰয়োজন । ইয়াৰে এটা সংক্ষিপ্ততা । ইয়াৰে সৈতে প্ৰয়োজন নৈব্যক্তিকতাৰ । নাটকত চৰিত্ৰক বিকশাই তোলে কাৰ্যৰ দ্বাৰাই একেটা চৰিত্ৰৰ সকলোখিনি বৈশিষ্ট্য ফুটি উঠে ।

**সংলাপ :-** নাটকৰ গুৰুত্বপূৰ্ণ উপাদান হ’ল সংলাপ । সংলাপবিহীন নাটকত না অসম্ভৱ । সংলাপেই হ’ল ঘটনা আৰু চৰিত্ৰ বিকাশৰ মূল আধাৰ । নাটকত সংলাপ চুটি চুটি আৰু অৰ্থব্যঞ্জক হোৱাৰ প্ৰয়োজন । সংলাপ বলিষ্ঠ মধুৰ আৰু গতিশীল হ’ব লাগে । নিৰস দুৰ্বল সংলাপ নাটকৰ বিফলতাৰ অন্যতম কাৰক সেয়ে সংলাপ ৰচনাত নাট্যকাৰৰ বিশেষ দক্ষতাৰ প্ৰয়োজন ।

**পৰিৱেশ সৃষ্টি :-** পৰিৱেশ সৃষ্টিও নাটকৰ অন্য এক গুৰুত্বপূৰ্ণ বিষয় । নাটকীয় ঘটনা আৰু চৰিত্ৰক পৰিপূৰ্ণতা প্ৰদান কৰে পৰিৱেশ সৃষ্টিয়ে । নাটকৰ পৰিৱেশ দুটা ভাগত ভগাব পাৰি –

( ক ) অন্তৰঙ্গ পৰিৱেশ । আৰু

( খ ) বহিঙ্গ পৰিৱেশ ।

চৰিত্ৰৰ সাজ – পাৰ , আচাৰ – ব্যৱহাৰ , মঞ্চসজ্জা এই সকলোবোৰেই নাটকৰ বহিঙ্গ পৰিৱেশ সৃষ্টি কৰে । যুগোচিত পৰিৱেশ সৃষ্টি নাটকীয় বল স্বাদনৰ ঘাই বিষয় । আনহাতে নাটকৰ অন্তৰঙ্গ পৰিৱেশ সৃষ্টি কৰিব পাৰে ভাষা আৰু গীতে । নাটকৰ ভাষা বা সংলাপ যুগোচিত হোৱা বাঞ্ছনীয় । আৱেগ অনুভূতি প্ৰকাশৰ ক্ষেত্ৰত গীতে প্ৰধান ভূমিকা লয় ।

**নাট্যকাৰৰ জীৱন দৰ্শন :-** নাটকৰ জৰিয়তে মানৱ জীৱনৰ কথাই ৰূপায়িত হয় । কিন্তু এই জীৱন হ'ল নাট্যকাৰৰ নিজস্ব কল্পনাৰ জীৱন । ফলত নাটকীয় ঘটনা আৰু ঘাইকৈ চৰিত্ৰবোৰৰ ওপৰত নাট্যকাৰৰ নিজস্ব দৃষ্টিভংগীৰ প্ৰভাৱ সুন্দৰভাৱে নিৰূপিত হয় । অৰ্থাৎ জীৱন সম্বন্ধে নাট্যকাৰৰ যি দৃষ্টিভংগী , সিয়ে কাহিনী আৰু চৰিত্ৰৰ মাজেৰে প্ৰতিভাত হয় । ইয়াকে নাট্যকাৰৰ জীৱন দৰ্শন বোলা হয় । নাট্যকাৰৰ জীৱনবোধ কিমান গভীৰ হয় সিমানেই নাটকৰ গভীৰতা বৃদ্ধি পায় আৰু মহত্ব প্ৰদান কৰে ।